Tinsukia, Thursday, June 22, 2023

দৈনিক জনমভূমি

# উজনিত বিষ্ণুৰাভা দিৱস উদ্‌যাপন

**ডিব্ৰু মহাবিদ্যালয়ত ঃ** ডিব্ৰুগড় ঃ ২২ জুন ঃ কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ মৃত্যু তিথি উপলক্ষে ডিব্ৰু মহাবিদ্যালয় প্ৰেক্ষাগৃহত ২০জুনত দিনৰ ১ বজাত 'গীতে-মাতে কলাগুৰু স্মৰণ' শীৰ্ষক অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানৰ আৰম্ভণিতে কলাগুৰুৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জন চাংমাই, উপাধ্যক্ষ চন্দনা গগৈ আৰু অধ্যাপক-অধ্যাপিকাসকলে। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° মনোজ কুমাৰ শৰ্মাই আঁত ধৰা অনুষ্ঠানটি এটি চিৰসেউজ গীতৰ জৰিয়তে আৰম্ভ কৰা হয়। গীতটি পৰিৱেশন কৰে ইংৰাজী বিভাগৰ অধ্যাপিকা ঈশিতা ,গোস্বামীয়ে। অসমীয়া বিভাগৰ জ্যেষ্ঠ অধ্যাপিকা ড° মৌচুমী দত্তই বিষ্ণু প্ৰসাদ ৰাভাৰ জীৱন আৰু কৃতি সম্পৰ্কে বক্তৃতা আগবঢ়োৱাৰ লগতে এটি কবিতা আবৃত্তি কৰে। বিষ্ণু ৰাভাৰ কালজয়ী গীত পৰিৱেশন কৰে ড° কমলেন্দু শইকীয়া, অধ্যাপক প্ৰশান্ত কুমাৰ বৰা, ড° মনোজ কুমাৰ শৰ্মা আৰু অধ্যাপক দিগন্ত বড়োৱে। ইয়াৰ পূৰ্বে মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু উপাধ্যক্ষই কলাগুৰুৰ জীৱন আৰু কৰ্ম সম্পৰ্কে আলোকপাত কৰে। অসমীয়া বিভাগৰ অধ্যাপিকা ড° স্মৃতিৰেখা চেতিয়া সন্দিকৈয়ে শলাগ জ্ঞাপন কৰা সভাখনত জাতীয় সংগীত পৰিৱেশনত আগভাগ লয় কণমানি শিল্পী অমিতেষ প্ৰীতমে। ■ **চাবুৱাত ঃ** চাবুৱা ঃ নিজা